অসম

‘জুবিন আমাৰ মাজতেই আছে’, জন্মদিনত শিল্পীগৰাকীক স্মৰণ মুখ্যমন্ত্রী হিমন্ত বিশ্ব শর্মাৰ

জুবিন গার্গৰ জন্মদিনত মুখ্যমন্ত্রী হিমন্ত বিশ্ব শর্মাই শিল্পীগৰাকীক স্মৰণ কৰি কয় যে জুবিন আজিও অসমবাসীৰ মাজত জীয়াই আছে।

প্রকাশ: ১৮ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:২৬



Chief Minister Himanta Biswa Sarma & singer Zubeen Garg (NewzNow)

গুৱাহাটী, ১৮ নৱেম্বৰ: অসমবাসীৰ প্রাণৰ শিল্পী জুবিন গার্গৰ জন্মদিন উপলক্ষে মুখ্যমন্ত্রী ড□ হিমন্ত বিশ্ব শর্মাই শিল্পীগৰাকীৰ প্রতি শ্রদ্ধা নিবেদন কৰে।

সামাজিক মাধ্যমত মুখ্যমন্ত্রীগৰাকীয়ে উল্লেখ কৰে যে জুবিনৰ অনন্য সংগীত, কণ্ঠ, হৃদয়স্পর্শী সৃষ্টি আৰু ব্যক্তিত্বই তেওঁক লাখ লাখ পৰিয়ালৰ আপোন কৰি তুলিছিল। জুবিন আজিও অসমবাসীৰ মাজত জীয়াই আছে আৰু সকলোৰে হৃদয়ৰ অতি ওচৰত বুলি তেওঁ কয়।

জুবিনৰ প্রতি অসমৰ মানুহৰ আন্তৰিক মৰম, স্নেহ আৰু আবেগ ৰাজ্যৰ প্রতিটো কোণত তথা প্রতিটো প্রজন্মৰ হৃদয়ত চিৰদিন প্রতিধ্বনিত হৈ থাকিব বুলিও মুখ্যমন্ত্রীয়ে জনায়। জন্মদিনৰ শুভেচ্ছা জনাই তেওঁ শিল্পীগৰাকীৰ স্মৃতিত আৱেগিক বার্তা প্রকাশ কৰে।

জন্মদিন উপলক্ষে ৰাজ্যৰ বিভিন্ন প্রান্তত অনুৰাগী, গুণমুগ্ধ আৰু সাধাৰণ ৰাইজে জুবিন গার্গক স্মৰণ কৰিছে।

© 2026 NewzNow

২০২৫ চনৰ ১৯ ছেপ্টেম্বৰত ছিংগাপুৰত শিল্পীগৰাকীৰ মৃত্যু হৈছিল। কিন্তু মৃত্যুৰ পাছতো তেওঁৰ সংগীত আৰু সৃষ্টিৰাজিয়ে নতুন প্ৰজন্মৰ মাজতো সমানেই জনপ্ৰিয়তা লাভ কৰি আহিছে।

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূৰ্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/4073/jubin-gag-jnmdin-mukhzmntee-sddhanjli